# **REGIONAL NEWS UNIT**
## AKASHVANI, GUWAHATI

0000000000

**Date :** 08-11-2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***

**-------------------**

**::::::::::::::::::**

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি গহপুৰত ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। ৪১৫ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই বিশ্ববিদ্যালয়খন প্ৰযুক্তি আধাৰিত বৃত্তিমূলক শিক্ষা আৰু প্ৰশিক্ষণৰ ক্ষেত্ৰত দেশৰ প্ৰথমখন বিশ্ববিদ্যালয় হ'ব। ৭৩১ বিঘা ভূমিত নিৰ্মাণ কৰিবলৈ লোৱা বিশ্ববিদ্যালয়খনত দুহেজাৰ গৰাকী শিক্ষাৰ্থীৰ বাবে শৈক্ষিক ভৱন, এহেজাৰ ৬২০ গৰাকী শিক্ষাৰ্থীৰ বাবে হোষ্টেল, ৭২টা আবাসিক ভৱন, অতিথিশালা তথা শিক্ষাৰ্থীৰ সা-সুবিধা কেন্দ্ৰ থাকিব। বিশ্ববিদ্যালয়খনত কৃত্ৰিম বুদ্ধিমত্তা, ৰব'টিক ছায়েন্স, চাইবাৰ সুৰক্ষা, কোৱাণ্টাম কম্পিউটিং, এনিমেচন আৰু গ্ৰাফিক্‌ছ, ড্ৰোণ আৰু নেভিগেচন প্ৰযুক্তি, থ্ৰী ডি প্ৰিণ্টিঙকে ধৰি কেইবাটাও নতুন নতুন বিষয় অন্তৰ্ভুক্ত কৰা হ'ব। আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, শোণিতপুৰৰ সাংসদ ৰঞ্জিত দত্ত আৰু গহপুৰৰ বিধায়ক উৎপল বৰা উপস্থিত থাকে। ইয়াৰ পূৰ্বে বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে গুৱাহাটীৰ খানাপাৰাত নিৰ্মীয়মান জ্যোতি-বিষ্ণু প্ৰেক্ষাগৃহ পৰিদৰ্শন কৰে। ৫ হাজাৰ আসনযুক্ত প্ৰেক্ষাগৃহটোৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিলে ই পূব ভাৰতৰ অন্যতম বৃহৎ প্ৰেক্ষাগৃহ হিচাপে পৰিগণিত হ'ব।

ooooo

৯৩ সংখ্যক বায়ু সেনা দিৱস উপলক্ষে গুৱাহাটীৰ লাচিত ঘাটত কাইলৈ আয়োজিত কেন্দ্ৰীয় অনুষ্ঠানত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানৰ অংশ হিচাপে দুপৰীয়া চাৰে ১২ বজাৰ পৰা দিনৰ দুই বজালৈ এয়াৰ শ্ব' অৰ্থাৎ যুদ্ধ বিমানৰ উৰণ কৌশল প্ৰদৰ্শন কৰা হ'ব। কেন্দ্ৰীয়ভাৱে আয়োজিত এই এয়াৰ শ্ব'ত ৰাফেল, মিগ, ছুখয় আদিৰ দৰে ৭৫ খন বিমানে ভাগ ল'ব। এই এয়াৰ শ্ব' উপভোগৰ বাবে বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে বৃদ্ধাশ্ৰমৰ আবাসীসকলক আমন্ত্ৰণ জনোৱা হৈছে। গুৱাহাটীৰ উজান বজাৰৰ সতী ৰাধিকা উদ্যানৰ পৰা ইচ্ছুক ব্যক্তিসকলে ফ্লাইং শ্ব' চাব পাৰিব। জনসাধাৰণে সুবিধা অনুযায়ী গুৱাহাটীৰ নিজৰ ঘৰৰ পৰাও এই শ্ব'টো উপভোগ কৰিব পাৰিব। মহানগৰীৰ অশ্বক্লান্ত মন্দিৰৰ প্ৰাংগণত অতিথিৰ বাবে এয়াৰ শ্ব' চোৱাৰ ব্যৱস্থা কৰা হৈছে।

এই উপলক্ষে আজি আৰু কাইলৈ গুৱাহাটীত যান-বাহন চলাচলৰ ক্ষেত্ৰত কিছু নিষেধাজ্ঞা আৰোপ কৰা হৈছে। বাণিজ্যিক সামগ্ৰী কঢ়িওৱা বাহন তথা অন্য গধুৰ বাহনক এইচ বি ৰোড, এ টি ৰোড, ডিজি ৰোড, এম জি ৰোড, বি বৰুৱা ৰোড, জি এন বি ৰোডত আজি আৰু কাইলৈ পুৱা ৭ বজাৰ পৰা বিয়লি ৫ বজালৈ চলাচলৰ অনুমতি দিয়া হোৱা নাই। সেই সময়খিনিত ঠেলা, ৰিক্সা আদি বাহনক এম জি ৰোডত মাছখোৱাৰ পৰা মুখ্য ন্যায়াধীশৰ বাংলোলৈকে চলাচল কৰাত বাধা আৰোপ কৰা হৈছে। ভাৰতীয় বায়ু সেনাই জাৰি কৰা আৰু

বিতৰণ কৰা অনুমতিপত্ৰ থকা বাহনৰ বাহিৰে আন কোনো বাহন দিনৰ এঘাৰ বজাৰ পৰা বিয়লি ৫ বজালৈ সেই অঞ্চলত চলাচলৰ অনুমতি দিয়া নাই। খানাপাৰাৰ পৰা ভৰলুমুখৰ ফালে অহা সকলো চিটিবাছ জি এছ ৰোড, এ টি ৰোড, আঠগাঁও হৈ গৈ পানবজাৰৰ আৰ বি আই হৈ ঘূৰিবলৈ দিয়া নাই। চিটিবাছৰ বাহিৰে জালুকবাৰীৰ পৰা অহা কোনো গধুৰ বাহন মহানগৰীত প্ৰৱেশ কৰিবলৈ দিয়া নাই।

00000

লৌহপুৰুষ চৰ্দাৰ বল্লভ ভাই পেটেলৰ ১৫০ সংখ্যক জয়ন্তী উপলক্ষে আজি বাক্সা জিলা প্ৰশাসনৰ উদ্যোগত ৰান ফৰ ইউনিটি তথা ইউনিটি মাৰ্চ- এক ভাৰত আত্মনিৰ্ভৰ ভাৰত কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। কাৰ্যসূচী অনুসৰি বৰবাৰী পুলিচ ৰিজাৰ্ভৰ পৰা বাথৌফুৰি খেলপথাৰলৈ পদযাত্ৰা উলিওৱা হয়। অনুষ্ঠানৰ আৰম্ভণিতে কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, সাংসদ জয়ন্ত বসুমতাৰী, বিটিচিৰ কাৰ্যবাহী সদস্য বেগম আখতাৰা আৰু জিলা আয়ুক্ত গৌতম দাসে চৰ্দাৰ পেটেলৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰে। মন্ত্ৰী শ্ৰীব্ৰহ্মই এই একতাৰ যাত্ৰাই আমাৰ ৰাষ্ট্ৰীয় সংকল্প আৰু ঐক্যক দৃঢ় কৰি তুলিব বুলি মত প্ৰকাশ কৰে।

**বাইট (ইউ জি ব্ৰহ্ম)**

00000

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে কাইলৈ আৰু পৰহিলৈ গোৱালপাৰাৰ দহিকটা বনাঞ্চলত উচ্ছেদ অভিযান চলোৱা হ'ব বুলি ঘোষণা কৰে। এই ঘোষণাৰ পাছতে উচ্ছেদ অভিযানৰ পূৰ্বেই দখলকাৰীসকলে স্ব-ইচ্ছাই সেই ঠাই ত্যাগ কৰিছে। উচ্ছেদৰ বাবে গোৱালপাৰা জিলা প্ৰশাসন সম্পূৰ্ণ সাজু হৈ উঠাৰ বাতৰি আমাৰ গোৱালপাৰা সংবাদদাতাই প্ৰকাশ কৰিছে। ইয়াৰ জৰিয়তে দহিকটা সংৰক্ষিত বনাঞ্চলৰ এহেজাৰ ১৪০ বিঘা ভূমি দখলমুক্ত কৰা হ'ব।

00000

বিধি বলবৎকাৰী সঞ্চালকালয়ৰ গুৱাহাটী মহানগৰ কাৰ্যালয়ত ভাৰতীয় প্ৰশাসনিক বিষয়াৰ অৱসৰপ্ৰাপ্ত বিষয়া শেৱালী দেৱী শৰ্মাৰ ৬ কোটি ৪০ লাখ টকাৰ স্থাৱৰ আৰু অস্থাৱৰ সম্পত্তি জব্দ কৰিছে। আয়ৰ সৈতে সামঞ্জস্যহীন সম্পত্তি আহৰণ প্ৰতিৰোধ আইনৰ অধীনত তদন্তকাৰী সংস্থাটোৱে এই সম্পত্তি জব্দ কৰে। উল্লেখযোগ্য যে অসম ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ মুক্ত আৰু দূৰৱৰ্তী শিক্ষাকোষৰ সঞ্চালক পদত কাৰ্যনিৰ্বাহ কৰা অভিযুক্ত শেৱালী দেৱী শৰ্মা ১০৫ কোটি টকাৰ দুৰ্নীতিৰ গোচৰত লিপ্ত হৈছিল। এই গোচৰতে মুখমন্ত্ৰীৰ তদাৰকী কোষে তেওঁক গ্ৰেপ্তাৰ কৰাৰ পাছত বিধি বলবৎকাৰী সঞ্চালকালয়ে নিজাববীয়াকৈ তদন্ত চলায়।

00000

ঃঃ সমাপ্ত ঃঃ